জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১৩/২০২১

# বিশিষ্ট সমাজকৰ্মী, ক্ৰীড়া সংগঠক শশীন ভূঞাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৫ আগষ্ট ঃ** বিশিষ্ট সমাজকৰ্মী, ক্ৰীড়া সংগঠক, ধৰ্মপ্ৰাণ ব্যক্তি শশীন ভূঞাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জীৱনকালত একান্ত নিষ্ঠাসহকাৰে শশীন ভূঞাই আমাৰ সমাজ জীৱনলৈ যি অৰিহণা আগবঢ়ালে সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী দৌলগোবিন্দ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে তেখেতে আমাৰ আধ্যাত্মিক জীৱন ধাৰালৈ যথেষ্ট অৱদান আগবঢ়াই গৈছে। এগৰাকী ক্ৰীড়া সংগঠক হিচাপে পৰিচিত প্ৰয়াত শশীন ভূঞাই উত্তৰ গুৱাহাটীৰ ক্ৰীড়াৰ বিকাশৰ ক্ষেত্ৰটো গুৰুত্বপূৰ্ণ অৰিহণা যোগাই থৈ যায়। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ বাবেও কাম কৰি গৈছে। এইগৰাকী বিশিষ্ট সমাজকৰ্মী তথা ক্ৰীড়া সংগঠকৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত শশীন ভূঞাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**১৫/০৮/২০২১**